**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-JUNE-2026
**Time :** 09-00 AM

***Assamese Morning Bulletin***

——————————————————

## HEADLINE

১। কামাখ্যা ধামত আজিৰেপৰা অম্বুবাচী মহাযোগ। প্ৰবৃত্তিৰ লগে লগে নিশা ৯ বাজি ৮ মিনিট ৪২ ছেকেণ্ডত বন্ধ হ'ব মন্দিৰৰ দুৱাৰ।
২। ৰাজ্যলৈ পৰ্যটকৰ সোঁত বৃদ্ধি। ৫ বছৰত প্ৰায় ৩ কোটি পৰ্যটকৰ আগমন।
৩। উত্তৰ-পূৰ্বাঞ্চলত ক্ৰমাৎ বৃদ্ধি পাইছে এইচ আই ভি ৰোগীৰ সংখ্যা।
৪। আই পি এলৰ দৰে অসমতো অনুষ্ঠিত হ'ব অসম প্ৰিমিয়াৰ লীগ। মুখ্যমন্ত্ৰীয়ে মুকলি কৰিলে লীগৰ ট্ৰফী-ল'গ'। *আৰু*
৫। ফিফা বিশ্বকাপৰ আজি পুৱা অনুষ্ঠিত এখন খেলত নিউজিলেণ্ডৰ বিৰুদ্ধে ৩-১ গ'লত ইজিপ্তৰ জয়লাভ।

০০০০০০

আজি নিশা ৯ বাজি ৮ মিনিট ৪২ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হ'ব। প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰ দুৱাৰ ভক্তৰ বাবে বন্ধ কৰি দিয়া হ'ব। ২৩, ২৪ আৰু ২৫ জুনত কামাখ্যা মন্দিৰৰ দুৱাৰ সম্পূৰ্ণভাৱে বন্ধ থাকিব। ২৬ জুনৰ পুৱা অম্বুবাচীৰ নিবৃত্তিৰ পাছত মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰি দিয়া হ'ব।

অম্বুবাচী উপলক্ষে শক্তিপীঠ কামাখ্যা দেৱালয়ত আজিৰে পৰা অম্বুবাচী মহাযোগ অনুষ্ঠিত হ'ব। দেৱালয়ৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে প্ৰতিবছৰৰ দৰে এইবাৰো অম্বুবাচী মেলা উপলক্ষে দেশ-বিদেশৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা অহা সাধু-সন্যাসী তথা ভক্তপ্ৰাণ ৰাইজৰ সমাগম ঘটা পৰিলক্ষিত হৈছে।

গুৱাহাটী পৌৰ নিগমে অম্বুবাচী উপলক্ষে অহা ভক্তৰ ভিৰ নিয়ন্ত্ৰণৰ লগতে খোৱাপানী, পোহৰ আৰু চাফ-চিকুণৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। স্বেচ্ছাসেৱী সংস্থাসমূহেও ভক্তিপ্ৰাণ ৰাইজক সেৱা আগবঢ়োৱাৰ লগতে মেলাস্থলীৰ স্বচ্ছতা নিশ্চিত কৰাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে।

০০০০০০

শক্তিপীঠ কামাখ্যা দেৱালয়ত আজি আৰম্ভ হ'বলগীয়া অম্বুবাচী মেলা উপলক্ষে মহানগৰীৰ উপ-আৰক্ষী আয়ুক্তৰ কাৰ্যালয়ৰ তৰফৰ পৰা সাধাৰণ নাগৰিকৰ যাতায়াত সন্দৰ্ভত কিছু নীতি-নিৰ্দেশনা জাৰি কৰা হৈছে। ভক্তসকল, বিশেষকৈ শিশু, শিক্ষাৰ্থী, মহিলা, জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগসকলকে ধৰি জনসাধাৰণৰ নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি এই নিৰ্দেশনা জাৰি কৰা হৈছে। তদুপৰি বিদ্যালয়লৈ আহ-যাহ কৰা বাহন, অগ্নিনিৰ্বাপক বাহিনীৰ লগতে এম্বুলেন্সকে ধৰি জৰুৰীকালীন বাহনসমূহৰ সূচল আহ-যাহ সুনিশ্চিত কৰাৰ প্ৰতি বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। আজিৰ পৰা ২৬ জুনলৈকে জৰুৰীকালীন বাহনসমূহৰ বাহিৰে আন বাহনসমূহ মন্দিৰৰ পাদদেশৰ পৰা মূল মন্দিৰলৈ যোৱাত নিষেধাজ্ঞা জাৰি কৰা হৈছে। অৱশ্যে নিশা এঘাৰ বজাৰ পৰা পুৱা ৫ বজালৈ পানীৰ যোগানকে ধৰি আৱশ্যকীয় খাদ্য সামগ্ৰী বা

অন্যান্য সম্ভাৰ যোগান ধৰা বাহনসমূহ মন্দিৰলৈ যাব পাৰিব। জিলা প্ৰশাসনৰ বিশেষ অনুমতি থকা বাহনসমূহ বংশীবাগানৰ মাজেৰে পাণ্ডু মন্দিৰ ঘাটৰ পৰা মন্দিৰলৈ যাব পাৰিব। কামাখ্যা মন্দিৰত কৰ্তব্যত মোতায়েন কৰা সকলো চৰকাৰী বিষয়া-কৰ্মচাৰীক সোনাৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত সমবেত হ'বলৈ এই বিজ্ঞপ্তিযোগে কোৱা হৈছে। তাৰ পৰা পাণ্ডু বন্দৰ পথেৰে জিলা প্ৰশাসনৰ বিশেষ বাহনৰ  জৰিয়তে তেওঁলোকক কৰ্তব্য স্থানলৈ লৈ যোৱা হ'ব। জালুকবাৰীৰ দিশৰ পৰা ভক্তসকলক কঢ়িয়াই লৈ অহা বাহনসমূহ নীলাচল উৰণ সেঁতুৰ চাৰ্ভিচ লেনেৰে গৈ উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য কাৰ্যালয়ৰ ৩ নম্বৰ গেটত নামিব পাৰিব। তাৰ পৰা এই বাহনসমূহ নীলাচল উৰণ সেঁতুৰ তলেৰে ঘূৰি আদাবাৰী বাছষ্টেণ্ড তথা বৰিপাৰা পথাৰত থকা বিশেষ বাহন ৰখা স্থানত ৰব পাৰিব। আনহাতে, ভৰলুমুখৰ দিশৰ পৰা দৰ্শনাৰ্থী কঢ়িয়াই অনা বাহনসমূহেও নীলাচল উৰণ সেতুৰ ছাৰ্ভিচ লেনেৰে আহি স্বাগত চিকিৎসালয়ৰ বিপৰীতে থকা উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য কাৰ্যালয়ৰ ৪ নম্বৰ গেটত যাত্ৰীসকলক নমাই পোনে পোনে যান বাহন ৰখা ঠাইলৈ যাব পাৰিব। অসম ৰাজ্যিক পৰিবহণ নিগমৰ অধীনৰ সকলো বাছ, ছিটি বাছ তথা ব্যক্তিগত বাহনসমূহে নীলাচল উৰণ সেঁতুৰ ওপৰেৰে আহ-যাহ কৰিব লাগিব। অৱশ্যে স্থানীয় লোকসকলক এই নিয়মৰ পৰা আঁতৰত ৰখা হ'ব। জালুকবাৰীৰ দিশৰ পৰা যাত্ৰী কঢ়িয়াই অনা ছিটি বাছসমূহে যাত্ৰীসকলক বৰিপাৰা পুলিচ পইণ্ট অথবা বিশ্বকৰ্মা মন্দিৰত নমাব পাৰিব। আনহাতে, ভৰলুমুখৰ দিশৰ পৰা যাত্ৰী কঢ়িয়াই অনা ছিটি বাছসমূহে যাত্ৰীসকল টেক্সিষ্টেণ্ড অথবা বৰিপাৰা পুলিচ পইণ্টৰ বিপৰীত দিশে নমাব পাৰিব। নীলাচল উৰণ সেতুৰ দুয়োমূৰে ছিটিবাছ ৰবলৈ দিয়া নহ'ব। ব্যক্তিগত বাহনেৰে কামাখ্যা মন্দিৰলৈ অহা ভক্তসকলে তেওঁলোকৰ বাহনসমূহ আদাবাৰী বাছষ্টেণ্ড, বৰিপাৰা পথাৰ, আই টি এ মাছখোৱা, এ এছ টি ছি পাৰ্কিং মাছখোৱা অথবা ঈদগাহ ময়দানত থব পাৰিব। অম্বুবাচী মহাযোগৰ এই সময়ছোৱা পুৱা ৫ বজাৰ পৰা নিশা এঘাৰ বজাৰ ভিতৰত ৩ চকীয়া বা তাতকৈ বৃহৎ বাণিজ্যিক সামগ্ৰী পৰিবাহী বাহনসমূহ জালুকবাৰী ৰটাৰীৰ পৰা মাছখোৱালৈ অহাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। ডি জি ৰোড, এম জি ৰোড আৰু এ টি ৰোডেৰে কোনো আন্তঃজিলা পৰিবহণ অথবা দীৰ্ঘদূৰত্বৰ পৰিবহণৰ বাছ অহাতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

০০০০০০

বিগত ৫ বছৰত ৰাজ্যখনত প্ৰায় ৩ কোটি পৰ্যটকৰ আগমন হয়। পৰ্যটন বিভাগৰ তথ্য অনুসৰি ২০২১-২২ বৰ্ষৰ পৰা ২০২৫-২৬ বৰ্ষলৈ ৰাজ্যখনলৈ ২ কোটি ৯৩ লাখ ৩১ হাজাৰ ৭৮২ গৰাকী পৰ্যটকে অসম ভ্ৰমণ কৰে। ইয়াৰ ভিতৰত ১ লাখ ২০ হাজাৰ ৮৮৪ গৰাকী বিদেশী পৰ্যটক। ৰাজ্যলৈ বিদেশী পৰ্যটকৰ আগমন বৃদ্ধিয়ে অসমৰ অৰ্থনীতিলৈ যথেষ্ট বৰঙণি আগবঢ়াইছে। অসম পৰ্যটন বিভাগৰ সূত্ৰত প্ৰকাশ পোৱা মতে শেহতীয়াকৈ ৰাজ্যখনৰ পথ যোগাযোগ উন্নত, পৰ্যটন স্থলত গঢ়ি উঠা পৰ্যটন নিবাস আৰু আধুনিক সা-সুবিধাযুক্ত হোটেল, হোমষ্টে আদিৰ ব্যৱস্থাৰ বাবে ৰাজ্যখনলৈ নিতৌ পৰ্যটকৰ আগমন ঘটিছে। একেদৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, মানাহ ৰাষ্ট্ৰীয় উদ্যান, বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি লাভ কৰা চৰাইদেউৰ মৈদাম তথা শিৱসাগৰ জিলাৰ আহোম যুগৰ স্থাপত্য আৰু অন্যান্য পৰ্যটন খণ্ড চাবলৈ অসমলৈ পৰ্যটকৰ আগমন ঘটে। ইয়াৰ উপৰি ৰাজ্যখনৰ ডিমা হাচাওৰ প্ৰাকৃতিক সৌন্দৰ্য, কামাখ্যা মন্দিৰ, গোৱালপাৰাৰ শ্ৰীসূৰ্য্য পাহাৰৰ আকৰ্ষণতো বহু পৰ্যটক অসমলৈ আহিছে। তথ্য মতে গুৱাহাটীৰ নীলাচল পাহাৰৰ কামাখ্যা মন্দিৰলৈ বিগত ৫ বছৰত ব্যাপক হাৰত পৰ্যটকৰ আগমন হৈছে। অৱশ্যে অম্বুবাচী মেলা উপলক্ষে প্ৰতিবছৰে নীলাচল পাহাৰৰ বুকুলৈ যথেষ্ট সংখ্যক পৰ্যটকৰ আগমন ঘটে। শেহতীয়া প্ৰযুক্তিগত

ব্যৱস্থা বিশেষকৈ সামাজিক মাধ্যমৰ ব্যাপক প্ৰসাৰ, ট্ৰেভেল ব্লʼগাৰসকলৰ নতুন ঠাইৰ আৱিষ্কাৰৰ হাবিয়াস, অসমৰ থলুৱা খাদ্য বিশেষকৈ জনজাতীয় খাদ্য প্ৰণালীৰ প্ৰতি দেশী-বিদেশী পৰ্যটকৰ আগ্ৰহণ আদিয়েও ৰাজ্যলৈ পৰ্যটকক আকৰ্ষণ কৰে। বিভিন্ন চৰকাৰী আঁচনি আৰু প্ৰচাৰ অভিযানৰ বিজ্ঞাপনসমূহেও পৰ্যটকক আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে। কেন্দ্ৰীয় চৰকাৰ স্বদেশ দৰ্পণ আৰু প্ৰসাদ আঁচনিৰ জৰিয়তে কামাখ্যা মন্দিৰকে ধৰি অন্যান্য গুৰুত্বপূৰ্ণ পৰ্যটন ক্ষেত্ৰৰ আন্তঃগাঁথনি উন্নত হোৱাৰ ফলত ৰাজ্যলৈ ভালেসংখ্যক পৰ্যটকৰ আগমন হোৱা বুলি অসম পৰ্যটন বিভাগৰ সূত্ৰত প্ৰকাশ পাইছে।

০০০০০০

উত্তৰ-পূৰ্বাঞ্চলত এইচ আই ভি ৰোগীৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি পাইছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ৰ ২০২৫-২৬ বৰ্ষৰ প্ৰতিবেদনত এই কথা প্ৰকাশ পাইছে। এই প্ৰতিবেদন অনুসৰি অসমত বৰ্তমান ৩৩ হাজাৰ ১৪৫ গৰাকী লোক এই ৰোগত আক্ৰান্ত। উত্তৰ-পূৰ্বাঞ্চলত এইচ আই ভি আক্ৰান্ত প্ৰায় ১৩ হাজাৰ ৮০৯ গৰাকী মহিলাৰ ভিতৰত ৬ হাজাৰ ৮০৯ গৰাকী মহিলাই অসমৰ বুলি প্ৰতিবেদনখনত প্ৰকাশ পাইছে। অসমৰ জনগাঁথনি আৰু উত্তৰ-পূবৰ আন ৰাজ্যসমূহ সংযোগ কৰা প্ৰধান পৰিবহণ আৰু বাণিজ্যিক কেন্দ্ৰ হিচাপে পৰিগণিত হোৱা বাবে অসমত ৰোগীৰ সংখ্যা বৃদ্ধি পাইছে। এই প্ৰতিবেদন অনুসৰি অসমত এই ৰোগত আক্ৰান্ত ৰোগীৰ সংখ্যা প্ৰায় ০ দশমিক ১—৩ শতাংশ।

০০০০০০

ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ চমুকৈ আই পি এলৰ দৰে আসমতো অনুষ্ঠিত হʼব অসম প্ৰিমিয়াৰ লীগ চমুকৈ এ পি এল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বৰ্ষাপাৰাৰ অসম ক্ৰিকেট সন্থাৰ ষ্টেডিয়ামৰ প্ৰেক্ষাগৃহত কালি আনুষ্ঠানিকভাৱে এই লʼগʼ আৰু ট্ৰফী মুকলি কৰে। অহা ১ আগষ্টৰ পৰা ২৩ আগষ্টলৈকে লীগৰ খেলসমূহ অনুষ্ঠিত হʼব। এই লীগত মুঠ আঠটা দলে অংশগ্ৰহণ কৰিব। এ পি এলত অংশগ্ৰহণ কৰা দলকেইটা হৈছে - গুৱাহাটী ৰয়েলছ, যোৰহাট ষ্টেলিয়নছ, তেজপুৰ টাইটানছ, ডিব্ৰুগড় ৰাৰিয়ৰ্ছ, নগাঁও ৰেঞ্জাৰ্ছ, বৰপেটা ব্ৰেভজ, চৰাইদেউ ছানৰাইজাৰ্ছ আৰু বৰাক লিজেণ্ডছ। উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এ পি এল অসমৰ ক্ৰীড়া ইতিহাসৰ বাবে ইতিবাচক দিশ। এই লীগৰ জৰিয়তে বহু প্ৰতিভা চিনাক্ত হʼব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

বাইট (চি এম)

০০০০০০

গুৱাহাটী যান-বাহন আৰক্ষীয়ে জৰিমণাৰ ক্ষেত্ৰত নগদ ধনৰ লেনদেন নকৰে বুলি অতিৰিক্ত আৰক্ষী আয়ুক্ত জয়ন্ত সাৰথি বৰাই প্ৰকাশ কৰিছে। গুৱাহাটী যান-বাহন আৰক্ষীৰ এজন জোৱানক উৎকোচ লোৱা অৱস্থাত ৰাইজে হাতে-লোটে ধৰাৰ পাছত যান-বাহন আৰক্ষী বিষয়াগৰাকীয়ে এই কথা স্পষ্ট কৰি দিছে। যান-বাহন আৰক্ষীৰ কোনো জোৱান-বিষয়াই জৰিমণাৰ নামত নগদ ধন বিচাৰিলে তাৎক্ষণিকভাৱে ঊৰ্ধতন কৰ্তৃপক্ষৰ সৈতে যোগাযোগ কৰিবলৈ বিষয়াগৰাকীয়ে আহ্বান জনাইছে।

বাইট

০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে কাইলৈ দিনৰ ১১ বজাত হাইস্কুল শিক্ষান্ত কম্পাৰ্টমেণ্টেল পৰীক্ষা ২০২৬ৰ ফলাফল ঘোষণা কৰিব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে এই কথা

প্ৰকাশ কৰিছে। পৰিষদে জনোৱা অনুসৰি পৰীক্ষাৰ্থীসকলে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ চৰকাৰী ৱেবছাইটৰ পৰা কম্পাৰ্টমেণ্টেল পৰীক্ষাৰ ফলাফলসমূহ লাভ কৰিব পাৰিব।

০০০০০০

ফিফা বিশ্বকাপত আজি পুৱা অনুষ্ঠিত এখন খেলত ৩-১ গ'লত নিউজিলেণ্ডৰ বিৰুদ্ধে ইজিপ্তে জয়লাভ কৰিছে। আজি নিশা চাৰে দহ বজাত আৰম্ভ হ'বলগীয়া গ্ৰুপ জেৰ এখন খেলত আৰ্জেণ্টিনাই অষ্ট্ৰিয়াৰ বিৰুদ্ধে খেলিব।

ফ্ল'ৰিডাত কেপ ভাৰ্ডে আৰু উৰুগুৱেৰ মাজত পুৱতি নিশা অনুষ্ঠিত গ্ৰুপ এইচ পৰ্যায়ৰ এখন মেচ ২-২ গ'লত ড্ৰ' হয়। কেপ ভাৰ্ডেৰ হৈ খেলখনৰ ২১ মিনিটত কেভিন পিনাৰে দেশখনৰ হৈ প্ৰথমটো বিশ্বকাপ গ'ল দিয়ে। প্ৰত্যুত্তৰত উৰুগুৱেৰ হৈ মেক্সি আৰাউজো আৰু অগষ্টিন কানোবিঅ' এ দুটা গ'ল দি অগ্ৰগতি লাভ কৰে। অৱশ্যে কেপ ভাৰ্ডেৰ হৈ হেলডাৰ ভাৰেলাৰে দিয়া আন এটা গলৰ জৰিয়তে দুয়োটা দলে সমতা স্থাপন কৰে। এই ফলাফলৰ পাছত দুয়োটা দলে দুই পইণ্ট লাভ কৰি গ্ৰুপ এইচ পৰ্যায়ৰ মেচসমূহৰ অন্তিম ৰাউণ্ডলৈ যাবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে কালি নিশা কেলিফৰ্ণিয়াত ইৰাণ আৰু বেলজিয়ামৰ মাজত অনুষ্ঠিত গ্ৰুপ জিৰ এখন খেল গ'লবিহীনভাৱে ড্ৰ' হৈছিল। ইয়াৰ পূৰ্বে আটলাণ্টাত অনুষ্ঠিত গ্ৰুপ এইচ পৰ্যায়ৰ আন এখন খেলত ছৌদি আৰৱে ৪-০ গ'লত স্পেইনক পৰাজিত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰিছিল।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰিকাকতসমূহত ভিন ভিন বাতৰিয়ে শিৰোনাম দখল কৰিছে। আন্তৰ্জাতিক যোগ দিৱস উপলক্ষে কালি পশ্চিমবংগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কেন্দ্ৰীয় কাৰ্যসূচীত অংশগ্ৰহণ কৰা বাতৰিটো আমাৰ অসম কাকতে কলকতাৰ ব্যস্ত ৰাজপথত লক্ষাধিকৰ সমাৱেশত যোগ শিক্ষকৰ ৰূপত মোদী শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। যোগ দিৱস উপলক্ষে কালি গুৱাহাটীৰ উজানবজাৰস্থিত ৰিভাৰ ফ্ৰন্ট উদ্যানত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীমাৰমণৰ সৈতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই যোগাভ্যাস কৰে। দি চেণ্টিনেল কাকতৰ প্ৰথম পৃষ্ঠাত এই বাতৰিটো আলোকচিত্ৰসহ প্ৰকাশ কৰা হৈছে। আজিৰে পৰা শক্তিপীঠ মা কামাখ্যা দেৱালয়ত অম্বুবাচী মহাযোগ আৰম্ভ হোৱাৰ পৰিপ্ৰেক্ষিতত নীলাচলৰ বুকুলৈ স্থানীয় ভক্তৰ লগতে দেশ বিদেশৰ লাখ লাখ ভক্তৰ আগমণ ঘটিছে। অনান্য কাকতসমূহৰ লগতে অসমীয়া প্ৰতিদিন কাকতে এই বাতৰিটো প্ৰথম পষ্ঠাত প্ৰকাশ কৰিছে। নলবাৰীত কালি এগৰাকী ব্ৰাহ্মণ সম্প্ৰদায়ৰ পৰীক্ষাৰ্থীক তালাচীৰ সময়ত নিৰাপত্তাৰক্ষীয়ে লগুণ খুলিহে পৰীক্ষাকেন্দ্ৰত প্ৰৱেশ কৰিবলৈ দিয়াক লৈ সৰ্বত্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অসমীয়া খবৰ কাকতে পৰীক্ষাৰ্থীক তালাচীৰ নামত আৰক্ষীৰ উদ্ভট কাণ্ড শিৰোনামেৰে বাতৰিটো প্ৰথম পৃষ্ঠাত পৰিৱেশন কৰিছে। আমেৰিকা-ইৰানৰ শান্তি চুক্তিক লৈ চুইজাৰলেণ্ডত কালি এখন উচ্চস্তৰীয় বৈঠক অনুষ্ঠিত হয়। পাকিস্তান আৰু কাটাৰৰ মধ্যস্থতাত অনুষ্ঠিত শান্তি আলোচনা ইৰাণৰ প্ৰতিনিধিয়ে আধাতে ত্যাগ কৰাৰ পাছত পুনৰ অনিশ্চয়তাৰ সৃষ্টি হৈছে। দৈনিক জনমভূমি আৰু দৈনিক অগ্ৰদূত কাকতৰ প্ৰথমপৃষ্ঠাত এই বাতৰিটোৱে শিৰোনাম দখল কৰিছে। ৰাজ্যৰ পৰ্যটনক্ষেত্ৰত ড০ শৰ্মা

চৰকাৰৰ চমকপ্ৰদ সাফল্য। শেহতীয়া পাঁচবছৰত সৰ্বকালৰ অভিলেখ ভংগ কৰি অসমলৈ তিনি কোটিৰো অধিক দেশী-বিদেশী পৰ্যটকৰ আগমণ ঘটা এটা বাতৰি নিয়মীয়া বাৰ্তা কাকতে তথ্যসহকাৰে আচুতীয়াকৈ প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। গুৱাহাটীত অনুষ্ঠিত হবলগীয়া জাপান-ভাৰত শীৰ্ষ সন্মিলনৰ দ্বাৰা অৰ্থনৈতিক তথা উদ্যোগিক খণ্ডত অসম কিদৰে লাভৱান হব পাৰে আৰু কি কি ক্ষেত্ৰত চুক্তি সম্পন্ন হোৱাৰ সম্ভাৱনা আছে, সেই সন্দৰ্ভত দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত সৱিস্তাৰে এটা বাতৰি প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ কোনো কোনো অংশত পাতলীয়া পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**